OFFICE OF THE
**All Assam Tanzim-Madaris Qawmiya**
*(Board of the non-govt. Madrassa Board)*
P.O. Nilbagan - 782 445, Dist. Nagaon, Assam (India)
Regd. RS/NG/254/108
ESTD. 1955

دفتر آل آسام تنظیم مدارس قومیہ
نیل باگان - نگاؤں - آسام

কাৰ্যালয় ☎ : (03674) 262448
**সদৌ অসম তন্‌জিম মাদাৰিছ কৌমিয়া**
পোঃ নীলবাগান-৭৮২ ৪৪৫, জিলাঃ নগাঁও ঃ অসম ঃ ভাৰত
দূৰভাষ ঃ (০৩৬৭৪) ২৬২৪৪৮
স্থাপিত ঃ ১৯৫৫ ইং

Ref. ..............................

Date..............................

**৬ মহৰম ১৪৩৫ হিজৰী মুতাবিক ১০ ডিচেম্বৰ ২০১৩ ইং ৰবিবাৰে অনুষ্ঠিত তনজিম মাদাৰিছে কৌমিয়াৰ সাধাৰণ পৰিষদৰ বৈঠকত গৃহীত ১২ নং প্ৰস্তাৱ মৰ্মে তনজিম বৰ্ডত নতুনকৈ অন্তৰ্ভূক্তিৰ বাবে আবেদন কৰা আৰবী আৰু হিফজ মাদ্ৰাছাসমূহৰ বাবে জৰুৰী**

# চৰ্তাবলী

১। আবেদনকাৰী মাদ্ৰাছাখন কমেও আৰবী শাখাৰ চালে আওৱাল, হিফ্‌জ শাখাৰ তকমীল জামাতলৈকে থাকিব লাগিব।

২। আবেদন সন্নিলিত এখন দৰ্খাস্থ "সাধাৰণ সম্পাদক" সদৌ অসম তন্‌জিম মাদাৰিছ কৌমীয়া নীলবাগান নগাওঁ (অসম)ৰ ঠিকনাত জমা দিব লাগিব।

৩। সংশ্লিষ্ট এলেকাৰ তন্‌জিম প্ৰতিনিধি অথবা বৰ্ড্‌ৰ কাৰ্য্যকৰী কমিটিৰ সদস্যৰ চুপৰিশ নামা দৰ্খাস্থৰ লগত গাঁথি দিব লাগিব।

৪। স্থানীয় জিলা জমিয়তৰ সভাপতি / সম্পাদকৰ দ্বাৰা মাদ্ৰাছাখন স্বীকৃতি প্ৰাপ্ত হ'ব লাগিব।

৫। নিচেই ওচৰৰ কমেও দুখন মাদ্ৰাছাৰ আপত্তি বিহীন (N.O.C) চাৰ্টিফিকেট জমা দিব লাগিব।

৬। তন্‌জিম ব'ৰ্ডৰ অন্তৰ্ভূক্তিৰ বিষয়ে মাদ্ৰাছা পৰিচালনা কমিটিৰ বৈঠকত গৃহীত প্ৰস্তাৱৰ প্ৰতিলিপি (সভাপতিৰ স্বাক্ষৰ ও মোহৰযুক্ত) গাঁথি দিব লাগিব।

৭। যিডোখৰ মাটিত মাদ্ৰাছাখন অৱস্থিত, সেই মাটিডোখৰৰ চৰকাৰী দলিল/(S.D.C.)ৰ পট্টা নাইবা মাটি মালিকৰ পৰা ষ্টাম্পৰ উপৰত ৱাকফনামাৰ কপি দৰ্খাস্তৰ লগত গাঁথি দিব লাগিব।

৮। তিনি বছৰৰ বছৰেকীয়া পৰীক্ষাৰ ফলাফলৰ কপি দৰ্খাস্থৰ লগত গাঁথি দিব লাগিব।

৯। দৰ্খাস্তকাৰী মাদ্ৰাছাখন নিকটবৰ্ত্তি তন্‌জিমভূক্ত মাদ্ৰাছাৰ পৰা তলত উল্লেখ কৰা দূৰত্বত অৱস্থিত হব লাগিব।

ক) মাদাৰিছে আৰবীয়া (লৰাৰ বাবে) ৫ কিঃ মিঃ।

খ) মাদাৰিছে হিফজ (লৰাৰ বাবে) ৩ কিঃ মিঃ।

১০। উল্লিখিত চৰ্তাবলী পূৰণ কৰাৰ পাছত অন্তৰ্ভূক্তিৰ পূৰ্বে মাদ্ৰাছাখনক তন্‌জিমৰ বছৰেকীয়া পৰীক্ষাত অংশ গ্ৰহণ কৰাৰ সুযোগ দিয়া হব। আৰু পৰীক্ষাৰ ফলাফল চাই অন্তৰ্ভূক্তি কৰা বা নকৰাৰ চুড়ান্ত সিদ্ধান্ত লোৱা হব।

১১। কোনো সদাশয় ব্যক্তিয়ে ব্যক্তিগত তত্ত্বাৱধানত প্ৰতিষ্ঠা কৰা মাদ্ৰাছা যদি তন্‌জিমৰ নিৰ্ধাৰিত নীতি মালাৰ আওতাত নপৰে, কিন্তু মাদ্ৰাছা কৰ্তৃপক্ষই শৈক্ষিক উন্নতিৰ বাবে মাদ্ৰাছাখনক তন্‌জিমৰ লগত জড়িত কৰিব খোজে, তেনে মাদ্ৰাছা তলত দিয়া চৰ্ত সাপেক্ষে তন্‌জিমৰ অন্তৰ্ভূক্ত কৰা হব।

ক) কেৱল শৈক্ষিক উন্নতিৰ প্ৰগ্ৰামবোৰত অংশ গ্ৰহণ কৰাৰ অনুমতি দিয়া হব।

খ) অন্যান্য সা-সুবিধা যেনে- আৰ্থিক অনুদান, প্ৰমাণ পত্ৰ, মাদ্ৰাছাৰ তালিকাত নাম সন্নিবিষ্ট আদিৰ পৰা বিৰত ৰখা হব।

১২। ঈদোজ্জোহাৰ পিচত আৰু ৰবিউচ্ছানীৰ আগত উপৰোক্ত তথ্যপাতি সহ তনজিম কাৰ্য্যালয়ত দৰ্খাস্থ দাখিল কৰিব লাগিব।

১৩। কাৰ্য্যালয়ত দৰ্খাস্থ জমা নকৰালৈকে পৰিদৰ্শনৰ অনুমতি দিয়া নহয়। তেনে ৰিপৰ্ট বিধিগত ভাবে অগ্ৰহ্য হ'ব।

বিনীত
(মৌলানা) আব্দুল কাদিৰ কাছিমী
সাধাৰণ সম্পাদক
সদৌ অসম তনজিম মাদাৰিছে কৌমীয়া
নীলবাগান ঃ নগাওঁ ঃ অসম